# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

*প্ৰেছ বাৰ্তা নং - ২৯৯/২০২১*

বিহালীৰ বটিয়ামাৰীত ব্ৰহ্মপুত্ৰৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

## বটিয়ামাৰীত এখন হাইস্কুল স্থাপনৰ লগতে মোনাবাৰী পথটো পুনৰ নিৰ্মাণ কৰি ইয়াক শ্বহীদ কনকলতা বৰুৱাৰ নামেৰে নামকৰণৰ কথা ঘোষণা মুখ্যমন্ত্ৰীৰ

বৰকঠীয়াবাৰী সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পৰ অধীনৰ এটা অংগনৱাড়ী কেন্দ্ৰও পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিশ্বনাথ জিলাৰ বিহালী সমষ্টিৰ বটিয়ামাৰী অঞ্চলত ব্ৰহ্মপুত্ৰৰ খহনীয়াত ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰে। খহনীয়াৰ তীব্ৰতা আৰু ইয়াৰ ফলত ঘৰ-মাটি হেৰুওৱা পৰিয়ালবোৰৰ কথা বিবেচনা কৰি মুখ্যমন্ত্ৰীয়ে জলসম্পদ বিভাগৰ প্ৰধান সচিব ছৈয়দ্দিন আব্বাচীক বান আৰু খহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে জিঅ'-বেগ ব্যৱহাৰৰ দৰে দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে কয় যে বটিয়ামাৰীত এখন হাইস্কুল স্থাপন কৰা হ'ব। সেইদৰে মোনাবাৰী পথটো পুনৰ নিৰ্মাণ কৰি ইয়াক শ্বহীদ কনকলতা বৰুৱাৰ নামেৰে নামকৰণ কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। অঞ্চলটো পৰিদৰ্শনৰ সময়ত সাংসদ পল্লৱ লোচন দাস, বিধায়ক ৰঞ্জিত দত্ত, প্ৰমোদ বৰঠাকুৰ আৰু উৎপল বৰাৰ লগতে জলসম্পদ বিভাগৰ অভিযন্তাসকলো উপস্থিত থাকে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে বিহালীৰ বৰকঠীয়াবাৰী সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পৰ অধীনৰ এটা অংগনৱাড়ী কেন্দ্ৰ পৰিদৰ্শন কৰি শিশুসকলৰ সৈতে কিছু সময় অতিবাহিত কৰে। তেওঁ অঞ্চলটোৰ ৯৬ টি শিশুৰ মাজত ঘৰলৈ নিব পৰা পুষ্টিকৰ খাদ্য সামগ্ৰীৰ টোপোলাও বিতৰণ কৰে। কেন্দ্ৰটোত কৰ্মৰত অংগনৱাড়ী কৰ্মীসকলক তেওঁলোকৰ সেৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে উপযুক্ত ৰূপত শিশুসকলৰ যত্ন লোৱাৰ বাবে সমৰ্পিত মনোভাৱেৰে কৰ্তব্যত ব্ৰতী হ'বলৈ আহ্বান জনায়।

***সুঃদঃ***

**২৯-৯-২০২১**